**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-06-2026 **Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::::::::**

## ***HEADLINE***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰ্যাপ্ত সুযোগ প্ৰদানেৰে দেশৰ যুৱক প্ৰজন্মক সৱল কৰি তোলা বিকশিত ভাৰতৰ প্ৰধান লক্ষ্য বুলি উল্লেখ কৰিছে।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি মেঘালয়াৰ ৰিভয় জিলাৰ ভয়ৰিমবঙত উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ জৈৱিক মচলা প্ৰসংস্কৰণ গোট মুকলি কৰে।

৩। দোনাগিৰি, সংশোধক আৰু অগ্ৰয় নামৰ দেশীয় প্ৰযুক্তিৰে নিৰ্মিত তিনিখন অগ্ৰণী যুদ্ধজাহাজ দেশৰ নৌবাহিনীত অন্তৰ্ভুক্ত কৰা হ'ব।

৪। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি মাজনিশা চি-তল ষ্টেডিয়ামত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব।

*আৰু*

৫। ভাৰতে অস্মিতা চলিহা চীনত চলি থকা মাকাও অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰ্যাপ্ত সুযোগ প্ৰদানেৰে দেশৰ যুৱক প্ৰজন্মক সৱল কৰি তোলা বিকশিত ভাৰতৰ প্ৰধান লক্ষ্য বুলি উল্লেখ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমত যুৱ পৰিক্ৰমা মন্ত্ৰী মনসুখ মাণ্ডাৱিয়াই লিখা এটা প্ৰবন্ধ শ্বেয়াৰ কৰি দিয়া এটা বাৰ্তাত কয়, যে বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ জৰিয়তে দেশত বৃহৎ সংখ্যক চাকৰিৰ সৃষ্টি কৰাৰ লগতে সংস্কাৰ সাধন কৰাৰ লক্ষ্য লোৱা হৈছে। তেওঁ লগতে প্ৰকাশ কৰে, যে এই আঁচনিয়ে ৰাষ্ট্ৰ গঠনত যুৱক-যুৱতীসকলৰ সক্ৰিয় অংশগ্ৰহণৰ ক্ষেত্ৰত উল্লেখযোগ্য সহায়কৰ ভূমিকা পালন কৰিব। প্ৰৱন্ধত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীমাণ্ডাৱিয়াই ২০১৩ চনত বিশ্বৰ আটাইতকৈ পিছপৰা অৰ্থনীতি হিচাপে পৰিচিত ভাৰত, এতিয়া বিশ্বৰ দ্ৰুতগতিত বিকশিত প্ৰধান অৰ্থনীতি হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি মেঘালয়াৰ ৰিভয় জিলাৰ ভয়ৰিমবঙত উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ জৈৱিক মচলা প্ৰসংস্কৰণ গোট মুকলি কৰে। এই অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা আৰু চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেমসিং টামাঙো উপস্থিত থাকে। কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ পূৰ্বাঞ্চলৰ বাবে ভেলু চেইন উন্নয়ন অভিযানৰ উদ্যোগত আৰু পূৰ্বোত্তৰ ৰিভয় জৈৱিক কৃষক উৎপাদন কোম্পানী লিমিটেডৰ অধীনত এই প্ৰসংস্কৰণ গোট স্থাপন কৰা হৈছে। প্ৰায় ৩২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা এই প্ৰসংস্কৰণ গোটত বছৰি ১০ হাজাৰ মেট্ৰিটনতকৈ অধিক হালধি, আদা, জালুক, জলকীয়াকে ধৰি বিভিন্ন জৈৱিক মচলাৰ প্ৰসংস্কৰণ কৰা যাব। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় জৈৱিক উৎপাদন কাৰ্যসূচী আৰু ইউৰোপীয়

সংঘৰ জৈৱিক মানৰ প্ৰমাণ পত্ৰ থকা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো জৈৱিক মচলা প্ৰসংস্কৰণ কেন্দ্ৰ। এই গোটৰ জৰিয়তে উন্নতমানৰ ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত জৈৱিক মচলাই বিশেষ স্থান লাভ কৰিব।

অনুষ্ঠানত সম্বোধি দিয়া ভাষণত শ্ৰীসীতাৰমণে ২০২৪ চনৰ জি আই টেক লাভ কৰা লাকাডং হালধিকে ধৰি উচ্চমানৰ জৈৱিক উৎপাদনৰ ক্ষেত্ৰত মেঘালয়ে গ্ৰহণ কৰা ভূমিকা প্ৰশংসা কৰে। তেওঁ বিশ্ব বজাৰত মেঘালয়ৰ বিভিন্ন প্ৰকাৰৰ আদাৰ বৰ্ধিত চাহিদাৰ বিষয়তো উল্লেখ কৰে। তেওঁ কয়, যে এই প্ৰসংস্কৰণ কেন্দ্ৰ স্থাপনে কৃষকৰ মালিকীস্বত্ব থকা উদ্যোগসমূহক শক্তিশালী কৰাৰ লগতে উপযুক্ত বজাৰ সৃষ্টি আৰু গ্ৰাম্য জীৱন ধাৰণৰ মান উন্নত কৰি এই প্ৰসংস্কৰণ গোটে উত্তৰ পূৰ্বাঞ্চলৰ জৈৱিক কৃষি খণ্ডত এটা উল্লেখযোগ্য ভূমিকা পালন কৰিব।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত হ'বলগীয়া অনুষ্ঠানত ২১ জুন অৰ্থাৎ পৰহিলৈ কলকাতাত ‘দোনাগিৰি’, ‘সংশোধক’ আৰু ‘অগ্ৰয়’ নামৰ দেশীয় প্ৰযুক্তিৰে নিৰ্মিত তিনিখন অগ্ৰণী যুদ্ধজাহাজ নৌবাহিনীত অন্তৰ্ভুক্ত কৰা হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে, ভাৰতীয় নৌসেনাই আৰ্হি প্ৰস্তুত কৰা আৰু ‘গাৰ্ডেন ৰীচ চিপবিল্ডাৰ্ছ এণ্ড ইঞ্জিনিয়াৰ্ছৰ দ্বাৰা নিৰ্মিত এই জাহাজকেইখনে সামুদ্ৰিক যুদ্ধ, জলৰেখা পৰ্যবেক্ষণ আদিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কাৰ্যক্ষমতা প্ৰদৰ্শন কৰিব। এই জাহাজ তিনিখনে নৌসেনাৰ ক্ষমতা বিকাশৰ এক সন্তুলিত দৃষ্টিভংগীক প্ৰতিফলিত কৰাৰ লগতে গভীৰ সামুদ্ৰিক অভিযান শক্তিশালী কৰিব আৰু সামুদ্ৰিক ক্ষেত্ৰৰ সজাগতা বৃদ্ধি কৰি বিভিন্ন প্ৰত্যাহ্বানৰ পৰা উপকূলীয় জলভাগক সুৰক্ষিত কৰিব।

৭৫ শতাংশতকৈও অধিক থলুৱা সামগ্ৰী ব্যৱহাৰেৰে নিৰ্মাণ কৰা জাহাজকেইখনে ভাৰতৰ থলুৱা জাহাজ নিৰ্মাণ ব্যৱস্থাৰ ক্ষেত্ৰত বৰ্ধিত আত্মনিৰ্ভৰশীলতাক প্ৰকাশ কৰিছে। নিৰ্মাণ কাৰ্যত ২০০ তকৈও অধিক অতি ক্ষুদ্ৰ , ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসহ ভাৰতীয় উদ্যোগে ভূমিকা গ্ৰহণ কৰাৰ লগতে ইয়াৰ জৰিয়তে বৃহৎ সংখ্যক প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপনৰ সৃষ্টি হৈছে। মন্ত্ৰালয়ে কয় যে এই জাহাজসমূহ নৌসেনাত অন্তৰ্ভুক্ত কৰাটোৱে ‘আত্মনিৰ্ভৰ ভাৰত’ৰ লক্ষ্যক আগুৱাই নিয়া আৰু ভাৰতৰ সামুদ্ৰিক ক্ষমতা শক্তিশালী কৰাৰ ক্ষেত্ৰত চৰকাৰ, ভাৰতীয় নৌসেনা, ৰাজহুৱা খণ্ডৰ জাহাজ কাৰখানা, ব্যক্তিগত উদ্যোগ আৰু অতি ক্ষুদ্ৰ , ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ যুটীয়া প্ৰচেষ্টাক প্ৰতিফলিত কৰিছে।

00000000

প্ৰতিকূল বতৰৰ বাবে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু পূৰ্ব নিৰ্ধাৰিত সময়তকৈ ওড়িশাত উপস্থিত হোৱাত পলম হৈছে। শ্ৰীমতী মুৰ্মু ময়ুৰভঞ্জ জিলাৰ দন্দবোস এয়াৰষ্ট্ৰীপত উপস্থিত হোৱাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে তেওঁ পশ্চিমবংগৰ কালাইকুণ্ডাৰ বিমান ঘাটিৰ পৰা পথেৰে যাত্ৰা কৰিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে, বেয়া বতৰৰ বাবে তেওঁৰ ভ্ৰমণ সূচীৰ সালসলনি ঘটিছে। ৰাষ্ট্ৰপতিগৰাকীৰ কনভয় বাংগিৰিপোচি আৰু বিচয়হৈ ৰায়ৰাংপুৰ অভিমুখে ৰাওনা হৈছে আৰু তেওঁ সন্ধিয়া কিছু পলমকৈ চহৰখনত উপস্থিত হোৱাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰপতিগৰাকীৰ যাত্ৰাৰ পথত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। শ্ৰীমতী মুৰ্মুৱে ভুবনেশ্বৰৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানে আয়োজন কৰা চিকিৎসা শিবিৰ, খনন প্ৰভাৱিত গাঁওসমূহৰ বাবে পাইপযোগে পানী যোগানৰ বৃহৎ আঁচনি, ব্ৰহ্মাকুমাৰীৰ মাতৃ শক্তি

ভৱন আৰু  বিশেষ আৱৰ্ত ভৱন উদ্বোধন কৰাৰ লগতে নতুনকৈ সৃষ্টি কৰা ৰায়ৰাংপুৰ আৰক্ষী জিলাকে ধৰি কেইবাটাও জনকল্যাণমূলক তথা আন্তঃগাঁথনিমূলক প্ৰকল্প উদ্বোধন কৰিব। কাইলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ গৃহভূমিত নিজৰ ৬৮ সংখ্যক জন্মদিন উদযাপন কৰিব। ওড়িশা চৰকাৰৰ দুবছৰীয়া কাৰ্যকাল সম্পূৰ্ণ হোৱা উপলক্ষে কাইলৈ ৰায়ৰাংপুৰত হ'বলগীয়া এটা ৰাজহুৱা অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও অংশগ্ৰহণ কৰিব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত দুহেজাৰ ৪০০ কোটি টকাৰ উদগনিমূলক ধনৰাশি মুকলি কৰিব।  প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাই দেশত ১৫ লাখ নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত সহায় কৰিছে। দেশৰ প্ৰায় ২০০ টা স্থানত আজি এই উপলক্ষে আঞ্চলিক পৰ্যায়ৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই যোজনাৰ অধীনত ৬৩ লাখতকৈও অধিক কৰ্মচাৰীক সামৰি লোৱা হৈছে। ইয়াৰে প্ৰায় ৩০ শতাংশ মহিলা। কৰ্মচাৰী আৰু নিয়োগকৰ্তা দুয়োপক্ষকে আনুষ্ঠানিক অৰ্থ ব্যৱস্থাত অংশগ্ৰহণৰ প্ৰতি উৎসাহিত কৰাৰ বাবে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে।ইয়াৰ অধীনত প্ৰথমবাৰৰ বাবে নিযুক্তি লাভ কৰাসকলক ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হয়।

তদুপৰি অতিৰিক্ত নিয়োগ সৃষ্টি কৰা নিয়োগকৰ্তাসকলক প্ৰতিমাহে প্ৰতিজন অতিৰিক্ত কৰ্মচাৰীৰ বাবে ৩,০০০ টকাকৈ উদগনিমূলক ধন প্ৰদান কৰা হয়। বিগত বৰ্ষৰ ১ আগষ্টত ৰূপায়ণ কৰা এই আঁচনিৰ জৰিয়তে দুবছৰৰ ভিতৰত দেশত ৩ কোটি ৫০ লাখৰো অধিক নিয়োগ সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

এই অনুষ্ঠানৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে বিজ্ঞান ভৱনত বহু কেইগৰাকী যুৱক-যুৱতীৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মাণ্ডাৱিয়াই কয়, যে শ্ৰমিকসকলৰ কল্যাণ আৰু হিতৰ বাবে মোদী চৰকাৰে চাৰিটা গুৰুত্ব পূৰ্ণ শ্ৰম বিধি ৰূপায়ন কৰিছে।

০০০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি মাজনিশা চি-তল ষ্টেডিয়ামত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। পুৱতি নিশা বষ্টন ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত স্কটলেণ্ড, মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে আজি পুৱা অনুষ্ঠিত এখন খেলত মেক্সিক'ই দক্ষিণ কোৰিয়াক ১ - ০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে অনুষ্ঠিত আন এখন খেলত আজি কানাডাই কাটাৰক ৬-০ গ'লত পৰাস্ত কৰে।

০০০০০০০০

ভাৰতৰ অস্মিতা চলিহা চীনত চলি থকা মাকাও অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত ছেমিফাইনেলত প্ৰৱেশ কৰিছে। অস্মিতাই কোৱাৰ্টাৰ ফাইনেলত দক্ষিণ কোৰিয়াৰ কিম মিন ছানক ২১-১৬, ২১-১৮ পোনপটীয়া গেমত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। কাইলৈ হ'বলগীয়া ছেমিফাইনেলত খেলুৱৈগৰাকীয়ে দক্ষিণ কোৰিয়াৰ পাৰ্ক গা-ইউনৰ মুখামুখি হ'ব। ইয়াৰ পূৰ্বে অস্মিতাই ৰাউণ্ড চিক্সটিনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইচিকা য়েচৱালক পৰাস্ত কৰে। ইপিনে, আনমোল খাৰ্ব কোৱাৰ্টাৰ ফাইনেলত চীনৰ চতুৰ্থ বাচনিপ্ৰাপ্ত হান কিয়ানচিৰ হাতত পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ে মুচি ৰিভাৰফ্ৰন্ট ডেভেলপমেন্ট কৰ্পোৰেচনক হায়দৰাবাদৰ বাপু ঘাটৰ সমীপত গান্ধী সৰোবৰ প্ৰকল্প বিকশাই তোলাৰ বাবে কাম কৰাত অনুমোদন জনাইছ। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে, গোলকোণ্ডাৰ আৰ্টিলাৰী কেন্দ্ৰত অৱস্থিত প্ৰতিৰক্ষা বিভাগৰ ভূমি ব্যৱহাৰৰ

বাবে অনুমতি প্ৰদান কৰা হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টত তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্থ ৰেড্ডীয়ে হায়দৰাবাদৰ বাপু ঘাটত ইয়াৰ ধ্বজাবাহী গান্ধী সৰোবৰ প্ৰকল্পৰ কাম আৰম্ভ কৰিবলৈ তেলেংগানা চৰকাৰক অনুমতি দিয়াৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে, এই অনুমোদনে মুচি নদীৰ পুনৰুজ্জীৱন আৰু এই নদীৰ পাৰক জনসাধাৰণৰ বাবে পাৰিপাৰ্শ্বিক, সাংস্কৃতিক আৰু ৰাজহুৱা সম্পদ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত তেলেংগানা চৰকাৰৰ পৰিকল্পনাৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰিছে।

০০০০০০০০

ঃঃ সমাপ্ত ঃঃ